- চকুৰ মণিত বগা বগা দাগ থাকিলে।
- বেজিত সুতা ভৰোৱাত অসমৰ্থ হলে।

## মস্তিষ্কৰ পক্ষাঘাট

- এটা অংগ প্ৰভাৱিত হয়।
- হাতৰ তুলনাত ভৰিবোৰ অধিক মাত্ৰাত প্ৰভাৱিত হয়।
- যিকোনো তিনিটা অংগ প্ৰভাৱিত হয়।
- গোটেই শৰীৰটো প্ৰভাৱিত হয়। ইয়াৰোপৰি খোৱাবোৱা আৰু কথা-বতৰা কৰোতে প্ৰয়োগ হোৱা মুখমণ্ডলৰ মাংসপেশীবোৰো তাৎপৰ্য্যপূৰ্ণ ভাৱে অক্ষম হৈ পৰে।
- শিশুৰ শৰীৰৰ এভাগ প্ৰভাৱিত হয়।
- গোটেই শৰীৰ তথা ভৰিৰ তুলনাত হাতবোৰ অধিক মাত্ৰাত প্ৰভাৱিত হয়। প্ৰায়বোৰ শিশুসকলৰ গাত খোৱাবোৱা কৰা আৰু কথা-বতৰা কৰাৰ ক্ষেত্ৰত দেখা দিয়া অক্ষমতাবোৰ বিদ্যমান হয়।

## একাধিক বাধাগ্ৰস্ততা

- দুই বা তাতোধিক অক্ষমতা/বাধাগ্ৰস্ততা বিদ্যমান হ'ব পাৰে।
- সংযুক্ত অক্ষমতা বাধাগ্ৰস্ততাৰ অন্যধৰণৰ বাধাগ্ৰস্ততাই লগ দিব পাৰে।
- কাম-কাজত অসামঞ্জস্যতাই দেখা দিব পাৰে।
- অধিক গঠনমূলক শিক্ষাগত পৰিকল্পনাৰ প্ৰয়োজন।
- জীৱনৰ বিভিন্ন ক্ষেত্ৰত সমৰ্থন বা সহায়ৰ প্ৰয়োজন।
- স্বাভাৱিক বা সাধাৰণতাত কঠিনতা দেখা দিয়ে।
- কোনো সৰু কথা বা কামত শিকিবলৈ অধিক অভ্যাস বা পুনৰাবৃত্তিৰ প্ৰয়োজন।
- উৎকণ্ঠা/আৱেগিক ভাৱনাৰ অভাৱ।
- কিছুমান কাৰ্য্যকলাপ সদায় নিয়ন্ত্ৰণ ৰাখিব নোৱাৰে। যেনে - পেছাব-পাইখেনা কৰা, খোৱাবোৱা কৰা ইত্যাদি।
- এনে শিশুৰ আনৰ লগত যোগাযোগ কৰাত আৰু এটা স্থানৰ পৰা অন্য এটা স্থানলৈ যোৱাৰ ক্ষেত্ৰত ব্যাপক জটিলতাই দেখা দিয়ে।

## শিকন বাধাগ্ৰস্ততা

- সংবেদন যন্ত্ৰ আৰু চাল-চলন সম্পৰ্কীয় ক্ৰিয়া-কলাপৰ মাজত নিম্নমানৰ সমন্বয়।
- ক্ষন্তেকীয় মনোযোগ।
- অশুদ্ধ ভাষাৰ বিকাশ।
- এটি চঞ্চল আচৰণ।
- শব্দ এৰি যোৱা, নতুন শব্দ যোগ কৰা, বিকল্প শব্দ ব্যৱহাৰ কৰা।
- ভাৱ-ভংগী নোহোৱাকৈ দিয়া মৌখিক নিৰ্দেশনা পালন কৰাত অপাৰগ।
- বাওঁপিনৰ পৰা সোঁপিনলৈ লিখোতে দিশ নিৰ্ণয় কৰিব নোৱাৰে।
- লেতেৰা আৰু অস্পষ্ট আখৰ।
- শব্দৰ মাজত খালী ঠাইৰ অভাৱ।
- বৰ্ণ বা শব্দ ওলোটাই লিখা।
- শ্ৰুতলিপি লিখোতে ভুল কৰে।
- মৌখিকভাৱে উত্তৰ দিব পাৰে কিন্তু লিখিব নোৱাৰে।

সৰ্বশিক্ষা অভিযান, অসম
প্ৰতিখন বিদ্যালয় সুন্দৰ হ'ব, প্ৰতিগৰাকী শিশু বিদ্যালয়লৈ যাব